অসম

জুবিন গার্গৰ ৰেঞ্জ ৰ’ভাৰ বাহন ওভতাই দিব ক্রেতা সোণমইনা দাসে

শিল্পী জুবিন গার্গৰ ৰেঞ্জ ৰ’ভাৰ বাহনখন ওভতাই দিবলৈ সন্মত হৈছে ক্রেতা সোণমইনা দাস। বাহনখন সোণাপুৰৰ ‘জুবিন ক্ষেত্ৰ’ত সংৰক্ষণ কৰা হ’ব।

প্রকাশ: ২৪ নৱেম্বৰ ২০২৬, দুপৰীয়া ১২:০৯



return Zubeen Garg's Range Rover

২৪ নৱেম্বৰ, ২০২৬

জুবিন গার্গৰ ৰেঞ্জ ৰ’ভাৰ বাহন ওভতাই দিব ক্রেতা সোণমইনা দাসে। বাহনখনৰ মালিকীস্বত্ব বা কাগজ-পত্ৰ সম্পূৰ্ণৰূপে নিজৰ নামত নামজাৰি (Transfer) হোৱাৰ পাছতহে তেওঁ আনুষ্ঠানিকভাৱে বাহনখন ঘূৰাই দিব।

জনপ্রিয় কণ্ঠশিল্পী জুবিন গার্গৰ ব্যৱহৃত ৰেঞ্জ ৰ’ভাৰ বাহনখন পুনৰ ওভতাই দিবলৈ সন্মত হৈছে ক্রেতা সোণমইনা দাস। শিল্পীগৰাকীৰ চাৰিজন ঘনিষ্ঠ বন্ধুৰ সৈতে হোৱা এক আলোচনাৰ পাছত তেওঁ এই সিদ্ধান্ত গ্রহণ কৰে।

জুবিন গার্গৰ ঘনিষ্ঠ বন্ধু পৱিত্র ৰাভা, বংকিম ৰায় মেধি, মানস ভাগৱতী আৰু সৌমিক দত্তই মির্জাত সোণমইনা দাসক সাক্ষাৎ কৰে। তাত বাহনখনৰ ভৱিষ্যৎ আৰু সংৰক্ষণৰ সন্দর্ভত আলোচনা অনুষ্ঠিত হয়। ৰাইজৰ আৱেগক সন্মান জনাই বাহনখন অসমতে ৰাখিবলৈ আৰু ওভতাই দিবলৈ পূর্ণ সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে সোণমইনা দাসে।

‘জুবিন ক্ষেত্র’ত সংৰক্ষণৰ পৰিকল্পনা

বন্ধুবর্গৰ পৰিকল্পনা অনুসৰি, কণ্ঠশিল্পীগৰাকীৰ এই ৰেঞ্জ ৰ’ভাৰ বাহনখন সোণাপুৰৰ কমৰকুছিত নির্মাণ হৈ থকা ‘জুবিন ক্ষেত্র’ত স্থায়ীভাৱে সংৰক্ষণ কৰা হ’ব। ইয়াৰ জৰিয়তে ভৱিষ্যত প্রজন্মই শিল্পীগৰাকীৰ স্মৃতি আৰু তেওঁৰ ব্যৱহৃত সামগ্রীসমূহৰ সৈতে পৰিচিত হোৱাৰ সুযোগ পাব বুলি বন্ধুবর্গই আশা প্রকাশ কৰিছে।

বর্তমান বাহনখনৰ পঞ্জীয়ন তথা যাৱতীয় নথিপত্র সোণমইনা দাসৰ নামত সম্পূর্ণ হোৱা নাই। এই প্রয়োজনীয় আইনী প্রক্রিয়া সম্পূর্ণ হোৱাৰ পাছত বাহনখন আনুষ্ঠানিকভাৱে ওভতাই অনা হ’ব। বাহনখনৰ বাবে হোৱা ধন ঘূৰাই দি আইনীভাৱে সকলো কাম সম্পন্ন কৰাৰ পৰিকল্পনা কৰা হৈছে।

সোণমইনা দাসৰ এনে সহযোগিতামূলক পদক্ষেপৰ বাবে কৃতজ্ঞতা প্রকাশ কৰে বংকিম ৰায় মেধিয়ে। তেওঁ উল্লেখ কৰে যে এই সিদ্ধান্তৰ ফলত জুবিন গার্গৰ স্মৃতি বহন কৰা বাহনখন অসমতে সংৰক্ষণ কৰাৰ বাট মুকলি হ’ল।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/5792/zubeen-garg-range-rover-returned-sonmoina-das